**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-JUNE-2026
**Time :** 09-00 AM

***Assamese Morning Bulletin***

১। সম্প্ৰসাৰিত অসম মন্ত্ৰীসভাত স্থান লাভ কৰিবলগীয়া মন্ত্ৰীসকলৰ তালিকা আজি প্ৰকাশ পোৱাৰ সম্ভাৱনা।
২। শ্ৰীভূমি জিলাৰ পথ আৰু ৰাষ্ট্ৰীয় ঘাইপথৰ উন্নয়নৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ ৫৬ কোটি টকা আৱণ্টন। ডিমা হাচাওত জলবায়ু অনুকুল পথ প্ৰকল্পৰ শুভাৰম্ভ।
৩। মধ্য প্ৰাচ্যৰ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত বিটিচিৰ সকলো সদস্যৰ দৰমহা অহা ৬ মাহৰ বাবে ৩০ শতাংশ হ্ৰাসৰ সিদ্ধান্ত।
৪। কেন্দ্ৰীয় গৃহমন্ত্ৰীৰ অধ্যক্ষতাত শ্বিলঙত আজি উত্তৰ-পূব পৰিষদৰ ৭৩ সংখ্যক পূৰ্ণাংগ অধিবেশন। **আৰু**
৫। ডিব্ৰুগড়ৰ জ্যোতিষ্মান বৰুৱাৰ দিল্লীত অনুষ্ঠিত ৰাজ্যিক গ্ৰীষ্মকালীন মুকলি এথলেটিকছ্ প্ৰতিযোগিতাৰ লং জাম্পত সোণৰ পদক অৰ্জন।

০০০০০০

সম্প্ৰসাৰিত অসম মন্ত্ৰীসভাত স্থান লাভ কৰিবলগীয়া মন্ত্ৰীসকলৰ তালিকা আজি প্ৰকাশ পোৱাৰ সম্ভাৱনা আছে। কালি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক নতুন দিল্লীত কৰা সাক্ষাতৰ পাছত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা গুৱাহাটীলৈ উভতি আহিছে। বিজেপিৰ কেন্দ্ৰীয় নেতৃত্বৰ সৈতে আলোচনামৰ্মে মুখ্যমন্ত্ৰীয়ে নতুন মন্ত্ৰীসকলক দায়িত্ব অৰ্পন কৰিব বুলি কোৱা হৈছে। মুখ্যমন্ত্ৰীয়ে আজি মন্ত্ৰীসকলৰ তালিকা ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যক দাখিল কৰিব।

ইপিনে, খানাপাৰাৰ জ্যোতিবিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত অসম মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ কাৰ্যসূচীৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ হৈছে। কাইলৈ দিনৰ ১২ বাজি ৪৫ মিনিটত শপতগ্ৰহণ অনুষ্ঠান আৰম্ভ হ'ব। ৰাজ্যপাল শ্ৰী আচাৰ্যই মন্ত্ৰীসভাত নতুনকৈ স্থান লাভ কৰিবলগীয়া বিধায়কসকলক শপতবাক্য পাঠ কৰোৱাব। এই অনুষ্ঠানৰ অভ্যৰ্থনাৰ বাবে অসম অসামৰিক সেৱাৰ ৮ গৰাকী বিষয়াক দায়িত্ব অৰ্পণ কৰা হৈছে। উল্লেখযোগ্য যে যোৱা ১২ মে'ত মুখ্যমন্ত্ৰী ড° শৰ্মাৰ সৈতে ৰামেশ্বৰ তেলী, অতুল বৰা, অজন্তা নেওগ আৰু চৰণ বড়োৱে মন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিছিল। মন্ত্ৰীসভা গঠন সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে নতুন দিল্লীত বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীন আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ সৈতে মিলিত হয়।

০০০০০০

শ্ৰীভূমি জিলাৰ পথ আৰু ৰাষ্ট্ৰীয় ঘাইপথৰ উন্নয়নৰ বাবে কেন্দ্ৰীয় চৰকাৰে ৫৬ কোটি টকা আৱণ্টন দিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নতুন দিল্লীত কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাদকাৰীৰ পৰা সাক্ষাতৰ সময়ত মুখ্যমন্ত্ৰীয়ে জিলাখনৰ পথ উন্নয়নৰ প্ৰসংগ উল্লেখ কৰিছিল। ইয়াৰ পাছতে জিলাখনৰ পথ উন্নয়নৰ বাবে চৰকাৰে এই ধনৰাশি আবণ্টন দিছে বুলি পাথাৰকান্দিৰ বিধায়ক তথা প্ৰাক্তন মন্ত্ৰী কৃষ্ণেন্দু পালে প্ৰকাশ কৰিছে। কালি এই আবণ্টিত ধনৰাশি ব্যৱহাৰ আৰু পথ উন্নয়ন প্ৰকল্প ৰূপায়ণ সন্দৰ্ভত শ্ৰীভূমি জিলা আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত এখন বৈঠকৰ পাছত শ্ৰী পালে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে এই পথ নিৰ্মাণৰ বাবে নিবিদা আহ্বান কৰা হৈছে।

**বাইট**

০০০০০০

অসম চৰকাৰে ডিমা হাচাওৰ বাবে ৩ হাজাৰ ৮৭৫ কোটি টকা ব্যয়সাপেক্ষ জলবায়ু অনুকুল পথ নির্মাণৰ পৰিকল্পনাৰ অংশ হিচাপে বিশেষ প্ৰকল্পৰ কালি শুভাৰম্ভ কৰে। বিশ্ব বেংকৰ সাহায্যপ্ৰাপ্ত পুঁজিৰে জিলাখনৰ পাহাৰীয়া পথ উন্নয়নৰ বাবে এই পৰিকল্পনা লোৱা হৈছে। কালি খানাপাৰাৰ অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত এই প্ৰকল্পৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা হয়। এই অনুষ্ঠানত বিশ্ব বেংকৰ প্ৰতিনিধি, ৰাজ্য চৰকাৰৰ জ্যেষ্ঠ বিষয়া, কাৰিকৰী বিশেষজ্ঞ, পৰামৰ্শদাতা আৰু অংশীদাৰসকল উপস্থিত আছিল।

০০০০০০

মধ্য প্ৰাচ্যৰ যুদ্ধৰ ফলত হৰমুজ প্ৰণালী বন্ধ হোৱাৰ পৰিপ্ৰেক্ষিতত ইন্ধনজাত সামগ্ৰীৰ আকাশলংঘী মূল্যবৃদ্ধিয়ে দেশত সৃষ্টি কৰা অভাৱনীয় পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি বিটিচি পৰিষদীয় চৰকাৰে কেতবোৰ গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই অনুসৰি বিটিচিৰ সকলো কাৰ্যবাহী পাৰিষদ আৰু পাৰিষদসকলৰ দৰমহা অহা ৬ মাহৰ বাবে ৩০ শতাংশ হ্ৰাস কৰা হৈছে। কোকৰাঝাৰৰ বড়োলেণ্ড সচিবালয়ত বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰীৰ অধ্যক্ষতাত কালি অনুষ্ঠিত বৈঠকৰ অন্তত কাৰ্যবাহী সদস্য মহেশ্বৰ বসুমতাৰীয়ে সাংবাদিকৰ এই কথা সদৰি কৰে।

**বাইট (মহেশ্বৰ বসুমতাৰী)**

তেওঁ কয়, যে পূৰ্বতে দিয়া প্ৰতিশ্ৰুতি অনুসৰি বিটিচিৰ ভূমিহীন লোকক মাটিৰ পট্টা প্ৰদান কৰাৰ বাবেও সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। গ্ৰামাঞ্চলৰ নাগৰিকক ৭ বিঘা আৰু নগৰাঞ্চলৰ নাগৰিকৰ ডেৰ কঠা মাটিৰ পট্টা প্ৰদানক লৈ বৈঠকত বিস্তৃতভাৱে আলোচনা কৰা বলি তেওঁ উল্লেখ কৰে। শ্ৰীবসুমতাৰীয়ে কয়, যে ভূমিহীন লোকক ভূমিৰ পট্টা প্ৰদানৰ বাবে প্ৰকৃত ভূমিহীন নাগৰিকক চিনাক্ত কৰাৰ বাবে মাগুলিক কমিটী গঠনৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। তেওঁ কয়, যে বিটিচি অঞ্চলত নতুনকৈ গো-হাট স্থাপন কৰাৰ উপৰি বন্ধ হৈ থকা গো-হাটসমূহ পুনৰ মুকলি কৰা বাবেও কালিৰ বৈঠকত কাৰ্যকৰী সিদ্ধান্ত গ্ৰহণ কৰা হয়। কোকৰাঝাৰ চহৰৰ চন্দ্ৰপাৰাৰ বিজুলীবাৰীস্থিত আই টি পাৰ্ক চৌহদত স্থাপন কৰা ব্যক্তিগত খণ্ডৰ স্বামী বিবেকানন্দ বিশ্ববিদ্যালয় কৰ্তৃপক্ষক একেটা চৌহদতে অনলাইন পৰীক্ষা কেন্দ্ৰ খোলাৰ বাবে ৰাজহুৱা ব্যক্তিগত অংশীদাৰিত্বৰ অধীনত বিটিচিৰ পাৰিষদীয় চৰকাৰে লীজত দিয়া সিদ্ধান্ত গ্ৰহণ কৰা বুলি শ্ৰীবসুমতাৰীয়ে সদৰি কৰে।

০০০০০০

উত্তৰ-পূব পৰিষদৰ ৭৩ সংখ্যক পূৰ্ণাংগ অধিবেশন আজি মেঘালয়ৰ ৰাজধানী শ্বিলঙত অনুষ্ঠিত হ'ব। কেন্দ্ৰীয় গৃহমন্ত্ৰী তথা  উত্তৰ-পূব পৰিষদৰ অধ্যক্ষ অমিত শ্বাহৰ সভাপতিত্বত হ'বলগীয়া এই বৈঠকত অঞ্চলটোৰ গুৰুত্বপূৰ্ণ ক্ষেত্ৰসমূহৰ উন্নয়নৰ বাবে গঠন কৰা মুখ্যমন্ত্ৰী উচ্চ পৰ্যায়ৰ কাৰ্যবাহিনীৰ প্ৰতিবেদন সন্দৰ্ভত বিশেষভাৱে আলোচনা কৰা হ'ব। অধিবেশনত পৰ্যটন, কৃষি আৰু উদ্যানশস্য, বিনিয়োগৰ প্ৰসাৰ, অৰ্থনৈতিক কৰিড'ৰৰ উন্নয়ন, আন্তঃগাঁথনি আৰু যোগাযোগ তথা হস্ততাঁত-হস্তশিল্প, গাখীৰ, কণী, মাছ-মাংসৰ উৎপাদনৰ স্বাৱলম্বিতা অৰ্জনক লৈ উত্তৰ-পূবৰ মুখ্যমন্ত্ৰীসকলে প্ৰতিবেদন দাখিল কৰিব। এই অধিৱেশনত বিভিন্ন ৰাজ্যৰ প্ৰতিনিধি আৰু অংশীদাৰসকলৰ মাজত উন্নয়নৰ লক্ষ্য সন্দৰ্ভত উমৈহতীয়া মতামত গঢ়ি তোলাৰ লগতে সমন্বিত প্ৰচেষ্টা গ্ৰহণ কৰাৰ প্ৰয়াস কৰা হ'ব। উত্তৰ-পূৰ্বাঞ্চলক ২০৪৭ চনৰ ভিতৰত অৰ্থনৈতিক উন্নয়ন, যোগাযোগ, উদ্ভাৱন, বহনক্ষমতা আৰু সাংস্কৃতিক সমৃদ্ধিৰ প্ৰাণৱন্ত কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ বাবে উত্তৰ-পূব ভৱিষ্য পৰিকল্পনা ২০৪৭ সন্দৰ্ভত এই বৈঠকত আলোচনা কৰা হ'ব।

উল্লেখযোগ্য যে ১৯৭১ চনৰ উত্তৰ-পূব পৰিষদ আইনৰ অধীনত প্ৰতিষ্ঠা লাভ কৰা উত্তৰ-পূব পৰিষদে সমগ্ৰ অঞ্চলটোৰ পৰিকল্পনা গ্ৰহণৰ ক্ষেত্ৰত সৰ্বোচ্চ কৰ্তৃপক্ষ হিচাপে কাম কৰি আহিছে। এই পৰিষদে অঞ্চলটোত সমন্বিত উন্নয়ন আৰু সহযোগিতামূলক যুক্তৰাষ্ট্ৰীয়বাদ শক্তিশালী কৰাৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে। আজিৰ অনুষ্ঠানত ড'নাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়া, ড'নাৰ ৰাজ্য মন্ত্ৰী সুকান্ত মজুমদাৰ, উত্তৰ-পূবৰ ৮ খন ৰাজ্যৰ ৰাজ্যপাল আৰু মুখ্যমন্ত্ৰীসকলৰ লগতে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকিব।

০০০০০০

বিদ্যালয়ত ইণ্টাৰনেট সংযোগৰ ক্ষেত্ৰত দেশৰ শীৰ্ষৰ তিনিখন ৰাজ্যৰ ভিতৰত অসমে দ্বিতীয় স্থান লাভ কৰি শৈক্ষিক ক্ষেত্ৰখনত উল্লেখনীয় ৰূপান্তৰৰ সূচনা কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি সামাজিক মাধ্যমযোগে এই কথা সদৰি কৰি কয়, যে কেন্দ্ৰীয় চৰকাৰে বিদ্যালয়ত ইণ্টাৰনেট সংযোগৰ বিকাশৰ ক্ষেত্ৰত শীৰ্ষৰ তিনিখন ৰাজ্যৰ ভিতৰত দ্বিতীয় স্থান দিয়া কাৰ্যই বৃহৎ পৰিসৰৰ ৰূপান্তৰক প্ৰতিফলিত কৰিছে। তেওঁ লগতে বিগত ১০ বছৰত ৰাজ্যৰ বিদ্যালয়সমূহত বিজুলী সংযোগ, কম্পিউটাৰৰ উপলব্ধতা, ছোৱালীৰ প্ৰস্ৰাৱগাৰ আৰু শৌচাগাৰ আদি নিৰ্মাণৰ ক্ষেত্ৰতো উল্লেখনীয় সফলতা লাভ কৰি বুলি উল্লেখ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰা মতে শৈক্ষিক আন্তঃগাঁথনিৰ সুদৃঢ়কৰণ আৰু শিক্ষাৰ্থীৰ বাবে সম্ভাব্য সকলো ধৰণৰ সুযোগ বৃদ্ধি কৰিবলৈ গ্ৰামাঞ্চল আৰু অনুন্নত ঠাইতসমূহত ৰাজ্য চৰকাৰে গ্ৰহণ কৰা প্ৰয়াসৰ বাবে এই উন্নয়ন সম্ভৱপৰ হৈছে। ৰাজ্যৰ শৈক্ষিক ক্ষেত্ৰৰ বিকাশৰ এয়া আৰম্ভণিহে বুলি উল্লেখ কৰি ড০ শৰ্মাই কয়, যে বিজুলী সংযোগ, কম্পিউটাৰ, ছোৱালীৰ প্ৰস্ৰাৱগাৰ আৰু ইণ্টাৰনেটৰ সুবিধা এন ডি এ চৰকাৰৰ শাসনকালত যোৱা এটা দশকত হোৱা উন্নয়নৰ সূচক।

০০০০০০

উত্তৰ-পূৰ্বাঞ্চলত নিয়োজিত সামৰিক বাহিনীৰ গোটসমূহলৈ গাখীৰ আৰু দুগ্ধজাত সামগ্ৰীৰ যোগান সম্প্ৰসাৰণৰ বাবে যোৱা মঙলবাৰে ৰাষ্ট্ৰীয় সমবায় দুগ্ধ ফেডাৰেচন আৰু আছাম ৰাইফলছৰ মাজত এখন চুক্তি স্বাক্ষৰিত হয়। এই চুক্তিৰ জৰিয়তে অংশগ্ৰহণকাৰী সমবায়সমূহৰ বছৰি প্ৰায় ৪৪ কোটি টকা উপাৰ্জন হ'ব বুলি আশা কৰা হৈছে। নতুন দিল্লীত স্বাক্ষৰিত এই চুক্তিয়ে বৰ্তমানৰ ব্যৱস্থাক সম্প্ৰসাৰিত কৰিব। ইয়াৰ অধীনত আমূল, নন্দিনী আৰু ৰাৱানাকে ধৰি বিভিন্ন সমবায়ে আছাম ৰাইফলছৰ গোটসমূহলৈ ইউ এইচ টি গাখীৰৰ পৰা আৰম্ভ কৰি অন্য দুগ্ধজাত সামগ্ৰী যোগান ধৰিব। ৰাষ্ট্ৰীয় সমবায় দুগ্ধ ফেডাৰেচনে প্ৰকাশ বিবৃতি অনুসৰি এই সম্প্ৰসাৰিত চুক্তিৰ অধীনত উত্তৰ-পূৰ্বাঞ্চলৰ ৭ খন ৰাজ্যৰ ৭২টা সামৰিক গোটত সতেজ গাখীৰ আৰু মাখন উপলব্ধ হ'ব। ইয়াৰ উপৰি আমূলে পনীৰ আৰু মল্টভিত্তিক খাদ্য সামগ্ৰী যোগান ধৰিব।

০০০০০০

প্ৰসাৰ ভাৰতীয়ে অসমৰ চাৰিগৰাকী সত্ৰীয়া নৃত্যশিল্পীক টপগ্ৰেডৰ স্বীকৃতি প্ৰদান কৰিছে। টপগ্ৰেড স্বীকৃতি লাভ কৰা শিল্পী চাৰিগৰাকীৰ ভিতৰত সংগীত নাটক একাডেমী বঁটা বিজয়ী ৰাজ্যৰ বিশিষ্ট শিল্পী, নৃত্যৰত্ন ৰামকৃষ্ণ তালুকদাৰ, সংগীত নাটক একাডেমী বঁটা বিজয়ী শিল্পী অনিতা শৰ্মা, ডাঃ মীড়নন্দা বৰঠাকুৰ আৰু ৰিঞ্জুমণি শইকীয়া আছে। টপগ্ৰেড হৈছে এগৰাকী পৰিৱেশ্য শিল্পীক প্ৰদান কৰা সৰ্বোচ্চ সন্মান।

০০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ মূল অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাৰ জামিন আবেদনৰ শুনানি আজি গ্ৰহণ কৰিব। উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ পাৰ্থিৱজ্যোতি শইকীয়াৰ বিচাৰপীঠত অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাৰ জামিন আবেদনখন শুনানিৰ বাবে তালিকাভুক্ত কৰা হৈছে। ইপিনে, অভিযুক্তগৰাকীৰ মহাবীৰ একুৱা নামৰ ব্যৱসায় প্ৰতিষ্ঠানটো জব্দ কৰিবলৈ ফাষ্টট্ৰেক আদালতে দিয়া নিৰ্দেশক প্ৰত্যাহ্বান জনাই চেতন ধীৰাচৰিয়া নামৰ এজন লোকে উচ্চ ন্যায়ালয়ত দাখিল কৰা আবেদনখনৰ সন্দৰ্ভতো আজি শুনানি গ্ৰহণ কৰা হ'ব। উল্লেখযোগ্য যে, এই ব্যক্তিগৰাকীৰ সৈতে যৌথ অংশীদাৰিত্বৰে অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাই মহাবীৰ একুৱা নামৰ ব্যৱসায় প্ৰতিষ্ঠানটো স্থাপন কৰিছিল। জুবিন গাৰ্গৰ পৰা লুণ্ঠন কৰা ধনেৰে এই প্ৰতিষ্ঠানটো স্থাপন কৰাৰ অভিযোগত ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতে এই প্ৰতিষ্ঠানটো জব্দ কৰিবলৈ আৰক্ষীক অনুমতি প্ৰদান কৰিছিল।

০০০০০০

পবিতৰা অভয়াৰণ্যলৈ ২০২৫-২৬ পৰ্যটন বৰ্ষত ৩৫ হাজাৰ ২৪২ গৰাকী পৰ্যটকৰ আগমন হৈছে। বিগত পৰ্যটন বৰ্ষত এই সংখ্যা আছিল ৩৪ হাজাৰ ৪৩৭। অভয়াৰণ্যখনৰ সূত্ৰই প্ৰকাশ কৰা মতে এই পৰ্যটন বৰ্ষত উদ্যানখনে

৮১ লাখ ৫৮ হাজাৰ টকাৰো অধিক ৰাজহ সংগ্ৰহ কৰিছে। এইবাৰ ৬৭৬ গৰাকী বিদেশী পৰ্যটকে অভয়াৰণ্যখন ভ্ৰমণ কৰে বুলি কোৱা হৈছে।

০০০০০০

আৰক্ষী আৰু বিশেষ অভিযানকাৰী দলে গুৱাহাটী মহানগৰীত চলোৱা ধাৰাবাহিক অভিযানত পুনৰ সাফল্য অৰ্জন কৰিছে। পৃথকে পৃথকে চলোৱা কেইবাটাও অভিযানত ৭ জন ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰাৰ লগতে বুজন পৰিমাণৰ হেৰ'ইন আৰু ভাং জব্দ কৰা হৈছে। জ্যেষ্ঠ আৰক্ষী অধীক্ষক কল্যাণ পাঠকৰ নেতৃত্বত কালি বিশেষ কাৰ্যবাহিনীয়ে চাংসাৰিৰ ৰে'ল ষ্টেচনত অভিযানত শিলচৰ-ৰঙিয়া এক্সপ্ৰেছেৰে আহি থকা এজন সৰবৰাহকাৰীক আটক কৰে। ধৃত সৰবৰাহকাৰীজন বাক্সা জিলাৰ জয়দৰ আলী বুলি চিনাক্ত কৰা হৈছে। ইফালে পশ্চিম আৰক্ষী জিলাৰ বিশেষ অভিযানকাৰী দল আৰু ভৰলুমুখ আৰক্ষীয়ে মাছখোৱাত চলোৱা অভিযানত দুলু আলী নামৰ এজন সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। তেওঁৰ পৰা চাবোনৰ বাকচত লুকাই ৰখা ড্ৰাগছ উদ্ধাৰ কৰা হয়। একেদৰে পল্টনবজাৰ আৰক্ষীয়ে ড্ৰাগছ সৰবৰাহৰ অভিযোগত আশা দাস, পূজা কছাৰী, ৰাজা সিং আৰু ফকিৰ চান আলীক গ্ৰেপ্তাৰ কৰে। তেওঁলোকৰ পৰা নিষিদ্ধ ড্ৰাগছভৰ্তি ২৪টা কণ্টেইনাৰ জব্দ কৰা হয়। আৰক্ষীয়ে লগতে জি এছ ৰোডৰ শ্ৰীনগৰ অঞ্চলত অভিযান চলাই জয় কুমাৰ নামৰ এজন লোকক বুজন পৰিমাণৰ ভাংসহ গ্ৰেপ্তাৰ কৰে।

০০০০০০

ডিব্ৰুগড়ৰ বেজপথাৰৰ জ্যোতিষ্মান বৰুৱাই দিল্লীত অনুষ্ঠিত ৰাজ্যিক গ্ৰীষ্মকালীন মুকলি এথলেটিকছ প্ৰতিযোগিতাৰ লং জাম্পত সোণৰ পদক অৰ্জন কৰিছে। জ্যোতিষ্মানে কালি নতুন দিল্লীৰ জৱাহৰলাল নেহৰু ষ্টেডিয়ামত অনুষ্ঠিত লং জাম্পৰ ফাইনেলত ৬ দশমিক ৮-৫ মিটাৰ জঁপিয়াই স্বৰ্ণ পদক হস্তগত কৰে। হাৰিয়ানাৰ মোহিত যাদৱে ৬ দশমিক ৮-১ মিটাৰ জঁপিয়াই ৰূপৰ পদক লাভ কৰে।

০০০০০০

ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুক সাক্ষাৎ কৰি অসমক দেশৰ সবাতোকৈ দ্ৰুত গতিৰ বিকাশশীল ৰাজ্য আখ্যা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ, ন্যায়াধীকৰণ – চৰকাৰক কৰ্কথনা হাইকৰ্টৰ, দিল্লীত পুনৰ বিধবংসী অগ্নিকাণ্ডত হোটেলতে জ্বলি গ'ল বিদেশীসহ ২১ জন লোক আদি বিভিন্ন বাতৰিয়ে গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰিকাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে।

মুখ্যমন্ত্ৰীৰ তৎপৰতাত মিঞাৰ বেদখলৰ পৰা ১ দশমিক ৭ - ৫ হাজাৰ হেক্টৰভূমি উদ্ধাৰ কৰা বাতৰিটো 'মৃত্যুমুখী পাভলৈ উভতিল সেউজ শোভা' শিৰোনামেৰে **নিয়মীয়া বাৰ্তা** কাকতখনে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। 'বিদেশী বহিষ্কৰণক লৈ চলা ভেকোভাওনা পুনৰ উন্মোচিত ন্যায়ালয়ৰ মজিয়াত - চৰকাৰক ককৰ্থনা হাইকৰ্টৰ' শীৰ্ষক এটা বাতৰিক **অসমীয়া প্ৰতিদিন** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। 'ৰাজ্যৰ পৰিবহণ বিভাগ আবেদন, কাৰ্যকৰী হ'লে গুৱাহাটী মহানগৰ সেৰা বাছৰ ন্যূনতম ভাৰা ১৫ টকা হোৱাৰ সম্ভাৱনা' বুলি এটা বাতৰিক **দৈনিক অগ্ৰদূত** কাকতে বক্স নিউজ হিচাপে প্ৰকাশ কৰিছে। **দৈনিক জনমভূমি** কাকতে 'দাম বৃদ্ধিয়েই নহয়, ধন দিলেও পাবলৈ নোহোৱা হ'ব খাৰুৱা তেল' শিৰোনামৰ এটা বাতৰি গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। একেটা বাতৰিকে **আমাৰ অসম** কাকতে 'মন্দাৰ গ্ৰাসত অৰ্থনীতি' শিৰোনামেৰে বাতৰিটো পৰিৱেশন কৰিছে।

'অসমৰ স্মাৰ্ট নাৰীয়ে জিলিকাইছে ডিজিটেল ইণ্ডিয়া' শিৰোনামৰ এটা বাতৰি **অসমীয়া খবৰ** কাকতে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। **দৈনিক অসম** কাকতৰ শিৰোনাম 'ৰাজ্যত বাংলাদেশীৰ ব্যাপক আগ্ৰাসন - শেহতীয়াকৈ বাঘবৰৰ পৰা গৈ শিৱসাগৰত থিতাপি, উত্তপ্ত পৰিস্থিতি'। ' Justice Biplab Sarma panel on clause 6 : Process on to implement 40 recommendations' শিৰোনামৰ এটা বাতৰি **দি**

**আছাম ট্ৰিবিউন**  কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ‘Dalai Lama receives Grammy Award at Dharamshala’ শীৰ্ষক এটা বাতৰি **দা ছেণ্টিনেল** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

এতিয়া আহক বাতৰিৰ পুনৰ মাজলৈ উভতি যাওঁ।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলৰ বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৬ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৭ ডিগ্ৰী ছেলছিয়াছ হ’ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা আৰু মণিপুৰৰ ঠাই বিশেষে পাতলীয়া পৰা মজলীয়া বৰষুণ পৰাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**